# অসমীয়া আখৰ-জোঁটনি উপ-সমিতিৰ সিদ্ধান্ত সমূহ

OKDISCD

অসম সাহিত্য সভা
১৯৮৬-৮৭

[illegible] Tai [illegible]
ASSTT GOVT. PLEADER
Sankardev Nagar, Hojai
Nagaon :: Assam

## প্ৰধান সম্পাদকৰ একাষাৰ

অসমীয়া ভাষাত বৰ্তমান আখৰ জোঁটনি সমস্যাটিয়েই বেছি। আখৰ জোঁটনিৰ বেমেজালিৰ ব্যাপকতা অতি বৃদ্ধি হোৱাত বিভিন্ন প্ৰকাৰৰ সমস্যা আমাৰ ভাষা সাহিত্যত আহি পৰিছে। অসম সাহিত্য সভাই এনে আখৰ জোঁটনি সমস্যা দূৰ কৰিবৰ বাবে ১৯৭৮ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত বৰপেটা জিলাৰ পাঠশালাত এটি 'লেখক শিৱিৰ' আয়োজন কৰি বিভিন্ন ভাষাবিদ, গৱেষক, লেখক, সাংবাদিক, শিক্ষকসকলক নিমন্ত্ৰণ কৰি আলোচনা কৰিছিল। লেখক-শিৱিৰত অংশ গ্ৰহণকাৰীসকলে নিজস্ব মতো দাঙি ধৰিছিল। সেই মতামতসমূহ যথাসময়ত পুস্তিকা আকাৰে প্ৰকাশ কৰি বিতৰণ কৰা হৈছিল। ১৯৮৫ খ্ৰীষ্টাব্দৰ জুন মাহত বহা আখৰ জোঁটনি উপসমিতিয়ে ইতিপূৰ্বে কৰা প্ৰাথমিক সিদ্ধান্ত-সমূহ চূড়ান্ত ৰূপ দিবৰ বাবে এখনি পুস্তিকা যুগুত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সমিতিৰ ১৯৮৬ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰী মাহৰ বৈঠকে অধ্যাপক বিশ্বেশ্বৰ হাজৰিকাক আখৰ জোঁটনি পুস্তিকাখনি যুগুত কৰি দিবলৈ অনুৰোধ জনায়। সভাৰ অনুৰোধ ৰক্ষা কৰি পুথি-খন যুগুত কৰি দিয়াৰ বাবে অধ্যাপক হাজৰিকালৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই ক্ষেত্ৰত অধ্যাপক ডঃ কুলেন্দু পাঠকেও যথেষ্ট সহায় কৰি দিয়াৰ বাবে আমি তেখেতলৈকো ধন্যবাদ জ্ঞাপন কৰিলোঁ। পুস্তিকাখন কম সময়ৰ ভিতৰতে ছপাই দিয়া বাবে অৰুণোদয় ছপাশালৰ কৰ্মকৰ্ত্তাসকললৈ আমাৰ শলাগ জ্ঞাপন কৰিলোঁ।

পুস্তিকাখন মতামতৰ বাবে সৰ্বসাধাৰণ ৰাইজলৈ আগবঢ়োৱা হ'ল। আশাকৰোঁ পুস্তিকাখন পঢ়ি সেই বিষয়ে থকা অভিমত আমালৈ প্ৰেৰণ কৰিব ৷৷

শ্ৰীঅমল ৰাজখোৱা
প্ৰধান সম্পাদক
অসম সাহিত্য সভা

৩১ ডিচেম্বৰ ১৯৮৬
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১

# আখৰ-জোঁটনি উপ-সমিতিৰ সিদ্ধান্তসমূহ

১। (১) একোটা উচ্চাৰণ বুজাবলৈ মাত্র একোটা আখৰ ৰাখি জোঁটনিৰ সংস্কাৰ কৰা হওক।

(২) বৰ্তমানৰ প্ৰচলিত লিখন-পদ্ধতিৰ (orthography) সংস্কাৰ কৰি তাক সৰল কৰা হওক।

(৩) মূলৰ লগত সম্পৰ্ক ৰাখি কৰা জোঁটনিৰ ক্ষেত্ৰত থকা আসোঁৱাহবোৰ আঁতৰাই প্ৰণালীবদ্ধ কৰা হওক।

—এই দাবীসমূহৰ সম্পৰ্কে তলত দিয়াৰ দৰে উপ-সমিতিয়ে মত প্ৰকাশ কৰে:

২। (১) একোটা উচ্চাৰণ বুজাবলৈ মাত্ৰ একোটা আখৰ ৰাখি জোঁটনি সংস্কাৰ কৰাৰ দাবী অসমীয়া ভাষাৰ বাবে অহিতকৰ হ'ব বুলি সদস্যসকল একমত হয়; কিয়নো—

(ক) তেনে কৰিলে এতিয়ালৈকে প্ৰকাশিত সাহিত্য-সম্ভাৰৰ সৈতে ইয়াৰ পাচৰ সাহিত্য-সম্ভাৰৰ সম্পৰ্ক ছিগি যাব;

(খ) আগৰ মুদ্ৰিত কিতাপবোৰ নতুন জোঁটনিৰে ছপাওঁতে অযথা ধন খৰচ হ'ব, আৰু নছপালে ইচ্ছা কৰি অসমীয়া সাহিত্য তুখীয়া কৰা হ'ব;

(গ) যিহেতু উচ্চাৰণ সদায়েই পৰিৱৰ্তনশীল, এতেকে উচ্চাৰণ অনুসৰি জোঁটোৱা সহজ কাম নহ'ব;

(ঘ) প্ৰচলিত জোঁটনিৰ ভাল গুণবোৰ উচ্চাৰণ অনুসৰি কৰা জোঁটনিত পোৱা নহ'ব;

(ঙ) কথিত শব্দৰ সুপৰিচিত লিখিত ৰূপটোৱে অৰ্থবোধত আমাক সহায় কৰে; উচ্চাৰণ অনুসৰি জোঁটালে অপৰিচিত ৰূপটোৰ পৰা সেই সহায় পোৱা নাযাব; আৰু

(চ) উচ্চাৰণ অনুসৰি জোঁটনি কৰাটো বিজ্ঞানসন্মত আৰু বাঞ্ছনীয় হোৱা সত্ত্বেও বাস্তৱিকতে পৃথিৱীৰ কোনো বিখ্যাত

ভাষাতে উচ্চাৰণ অনুসৰি জোঁটনি নাই।

(২) লিখন-পদ্ধতি (orthography) সলোৱা-নসলোৱাৰ বিষয়ে আলোচনা কৰাটো জোঁটনি সমিতিৰ দায়িত্বৰ পৰিসৰৰ ভিতৰত নপৰে বুলি সেই বিষয়ে বিবেচনা কৰা নহ'য়।

(৩) কেৱল সংস্কাৰৰ স্বাৰ্থতেই এটা আমূল পৰিৱৰ্তনৰ নীতি গ্ৰহণ নকৰি মূল অনুসৰি জোঁটনি কৰা প্ৰচলিত নীতিকেই ৰাখিবলৈ স্থিৰ কৰা হয়; কাৰণ—

(ক) প্ৰচলিত জোঁটনিৰ এটা নিৰ্ধাৰিত প্ৰণালী আছে;

(খ) ইয়াত কোনো আখৰৰ বিকৃতি ঘটাই নতুন ধ্বনি-চিহ্ন নিৰ্মাণ কৰাৰ প্ৰয়োজন নাই। (উদাহৰণ স্বৰূপে, হিন্দীত ৰ, ज आৰু া-কাৰ আদিক বিকৃত কৰি ৰ়, ज़ আৰু ॉ কৰা হৈছে।);

(গ) ইয়াৰ ফলত অসমীয়া জোঁটনিৰ এটা সৰ্বভাৰতীয় ৰূপ ৰক্ষিত হৈছে;

(ঘ) শব্দবোৰৰ চিনাকি ৰূপটোৱে অৰ্থবোধত পাঠকক সহায় কৰিছে;

(ঙ) একে উচ্চাৰণ কিন্তু বেলেগ অৰ্থ থকা সমধ্বনিবোৰৰ (homophones) প্ৰচলিত নিয়ম অনুসৰি বেলেগ জোঁটনি ৰাখিলে অলঙ্কাৰ, ব্যঞ্জনা আদি সৃষ্টি কৰাত সহায় হয়;

(চ) ইয়াৰ ফলত অবিকৃত ৰূপত সংস্কৃত শব্দ অসমীয়াত ব্যৱহাৰ কৰিব পৰা হ'য়; আৰু

(ছ) প্ৰচলিত জোঁটনিৰে ইমান দিনে ৰচিত হোৱা সাহিত্যৰ সৈতে ভৱিষ্যতে ৰচিত হ'বলগীয়া সাহিত্যৰ যোগসূত্ৰ ৰক্ষিত হয়

৩। আলোচনাৰ পাচত সদস্যসকল তলত দিয়া সিদ্ধান্তসমূহৰ ক্ষেত্ৰত একমত হয়:

(১) তৎসম (সংস্কৃত) শব্দবোৰ সংস্কৃত জোঁটনি অনুযায়ী জোঁটোৱা



হ'ব। এই নিয়ম অনুসৰি জোঁটালে শব্দৰ আদিতে ৱ আৰু য় দি জোঁটাব লগীয়া হোৱাত প্ৰচলিত অসমীয়া জোঁটনিৰে সৈতে বিৰোধ হয় কাৰণে তলত দিয়া উপনিয়মসমূহ গৃহীত হয়।

(ক) সংস্কৃত শব্দৰ আদিতে থকা ৱ অসমীয়াত ব লিখা হ'ব; যেনে—সংস্কৃত, ৱেদ, অসমীয়া বেদ; সং ৱীৰ, অ. বীৰ; সং. ৱিৰক্তি, অ. বিৰক্তি, ইত্যাদি।

মধ্যৱৰ্ত্তী আৰু অন্ত্য স্থানত থকা ৱ-ক উচ্চাৰণ অনুযায়ী ৱ বা ব লিখা হব; যেনে—সংস্কৃত. অনৱৰত, অসমীয়া. অনবৰত; সং. সংৱাদ, অ. সংবাদ; সং. ৱিৱাহ, অ. বিবাহ; অথবা অনৱৰত, সংৱাদ, বিৱাহ, ইত্যাদি।

নঞৰ্থক প্ৰত্যয়যুক্ত বা উপসৰ্গযুক্ত ৱ শব্দৰ দ্বিতীয় বা তৃতীয় স্থানলৈ গলেও প্ৰথম ৱ-ৰ নিয়মেৰেই পৰিৱৰ্তন কৰা হ'ব; যেনে—সংস্কৃত. অৱ্যৱহাৰ্য, অসমীয়া. অব্যৱহাৰ্য; সং. অভিৱ্যঞ্জনা, অ. অভিব্যঞ্জনা; সং. সুপৰিৱাহিত, অ. সুপৰিবাহিত; ইত্যাদি।

(খ) তৎসম শব্দৰ আৰম্ভণিতে য় থাকিলে সদায় য দি লিখা হ'ব; যেনে—সংস্কৃত. য়ম, অসমীয়া. যম; সং. য়জ্ঞ, অ. যজ্ঞ; সং. য়ন্ত্ৰ, অ. যন্ত্ৰ, ইত্যাদি।

মধ্যৱৰ্তী আৰু অন্ত্য স্থানত থকা য়-ক য় দি লিখা হ'ব; যেনে—সংস্কৃত. নিয়ম, অসমীয়া. নিয়ম; সং. অৱয়ৱ, অ. অবয়ৱ, সং. ক্ষয়, অ. ক্ষয়, ইত্যাদি।

মধ্যৱৰ্তী স্থানত থকা য়-ৰ উচ্চাৰণ জ হলে য দি লিখা হ'ব; যেনে—সংস্কৃত. সংয়োগ, অসমীয়া. সংযোগ; সং. অভিয়োগ, অ. অভিযোগ, সং. প্ৰতিয়োগিতা, অ. প্ৰতিযোগিতা, ইত্যাদি।

(গ) ৰেফৰ ফলত হোৱা দ্বিত্ব বৰ্জন কৰাটোৱেই বাঞ্ছনীয়; যেনে—অৰ্চ্চনাৰ ঠাইত অৰ্চনা, মূৰ্চ্ছনাৰ ঠাইত মূৰ্ছনা, বৰ্জ্জনৰ ঠাইত বৰ্জন, বৰ্ত্তমানৰ ঠাইত বৰ্তমান, নিৰ্দ্দয়ৰ ঠাইত নিৰ্দয়, অৰ্দ্ধৰ



OKDISCD

ঠাইত অৰ্ধ, গৰ্ব্বৰ ঠাইত গৰ্ভ নিৰ্ম্মলৰ ঠাইত নিৰ্মল, কাৰ্য্যৰ ঠাইত কাৰ্য, দুৰ্ল্লভৰ ঠাইত দুৰ্লভ, ইত্যাদি।

'ৰ্য'ৰ বিকল্প হিচাপে 'ৰ্য্য' লিখিবও পাৰিব ; যেনে—সূৰ্য্য, কাৰ্য্য আৰ্য্য, ইত্যাদি

(ঘ) ইন্ ভাগান্ত শব্দবোৰৰ প্ৰথমা একবচনৰ ৰূপহে অসমীয়াত ব্যৱহাৰ কৰিব লাগে; যেনে মন্ত্ৰিন্ > মন্ত্ৰী, যন্ত্ৰিন্ > যন্ত্ৰী, তন্ত্ৰিন্ > তন্ত্ৰী, ৱাৰ্ত্তাজীৱিন্ > বাৰ্ত্তাজীৱী, দীৰ্ঘজীৱিন্ > দীৰ্ঘজীৱী, ইত্যাদি।

এনে শব্দৰ সমাস হ'লে মন্ত্ৰীসকলৰ পৰিষদ > মন্ত্ৰীপৰিষদ, হস্তীৰ দন্ত > হস্তীদন্ত প্ৰাণীৰ হিংসা > প্ৰাণীহিংসা আদি অসমীয়া সমাসান্ত ৰূপ পোৱা যায়। আন হাতে সংস্কৃত সমাস কৰিলে মন্ত্ৰিণাং পৰিষদ্ > মন্ত্ৰিপৰিষদ্, হস্তিনাং দন্ত > হস্তিদন্তঃ, প্ৰাণিনাং হিংসা > প্ৰাণিহিংসা আদি সমাসান্ত ৰূপ পোৱা যায়। দুয়োটা জোঁটনিকেই শুদ্ধ বুলি গ্ৰহণ কৰা হৈছে যদিও অসমীয়া সমাসান্ত ৰূপটো বেছি প্ৰাসঙ্গিক বুলি বিবেচনা কৰা হৈছে।

(ঙ) সংস্কৃত ভাষাৰ ত বা ত্ত-ৰ যি কোনো এটা দি লিখিলে শুদ্ধ বিবেচিত হোৱা শব্দবোৰ সৰলীকৰণৰ স্বাৰ্থত ত-ৰে লিখাই বাঞ্ছনীয়; যেনে—ছাত্ৰ, ছাত্ত্ৰ > ছাত্ৰ; পাশ্চাত্ত্য, পাশ্চাত্য > পাশ্চাত্য; পুত্ত্ৰ, পুত্ৰ > পুত্ৰ; সত্ত্ৰ সত্ৰ > সত্ৰ, ইত্যাদি।

(চ) জ্ঞ, হ্য আদিৰ উচ্চাৰণ অসমীয়াত বেলেগ (গ্যঁ, জ্য) হ'লেও তৎসম শব্দত একে জোঁটনিকেই ৰখা হ'ব ; যেনে—জ্ঞান, বিজ্ঞান, অজ্ঞ; উহ্য, গুহ্য বাহ্য, ইত্যাদি।

(ছ) কোনো শব্দৰ অসমীয়া ৰূপ থাকিলেও সেই শব্দৰ তৎসম ৰূপ ব্যৱহাৰ কৰিব পাৰিব; যেনে—দূষণীয়, মেলন, লেখক, সন্মত, সন্মতি, সন্মেলন আদি শব্দ তৎসম ৰূপত ব্যৱহৃত হ'ব পাৰিব। এইবোৰৰ অসমীয়া চলিত ৰূপ দোষণীয়, মিলন, লিখক, সন্মত, সন্মতি আৰু সন্মিলন।



(জ) এই সাল-সলনিৰ বাহিৰে বাকী তৎসম শব্দৰ জোঁটনি মূলৰ দৰেই থাকিব; যেনে—শঙ্কৰ, শঙ্খ, গঙ্গা, জঙ্ঘ, চঞ্চল, বাঞ্ছা, আজ্ঞা, ঝঞ্ঝা, কণ্টক, দন্ত, চম্পক ইত্যাদি।

(২) তদ্ভৱ শব্দৰ জোঁটনি পৰাপক্ষত মূলৰ দৰেই ৰখা হ'ব।

(ক) সংস্কৃতত থকা স্বৰবৰ্ণৰ ঋ, ঐ আৰু ঔ-ৰ বাদে বাকীবোৰ তদ্ভৱ শব্দত একেদৰে থাকিব; যেনে—

অঃ সংস্কৃত. অন্য > অসমীয়া. অইন; সং. ভক্ত > অ. ভকত; সং. শক্ত > অ. শকত ইত্যাদি।

আঃ সং আকুল > অ. আউল; সং ঘাত > অ. ঘা ; সং জাড্য > অ. জাৰ ইত্যাদি।

ইঃ সং. ইক্কট > অ. ইকৰা; সং. তিক্ত > অ. তিতা ; সং মিষ্ট > অ. মিঠা ইত্যাদি।

ঈঃ সং ঈষা > অ ঈহ; সং ক্ষীণ > অ. খীণ; স দীৰ্ঘ > অ. দীঘল ইত্যাদি।

উঃ সং উচ্ছন্ন > অ উছন্ ; সং কুৰৰ > অ. কুৰুৱা; সং সুৰঙ্গ > অ. সুৰুঙা ইত্যাদি।

ঊঃ সং ঊৰ্ণ > অ. ঊণ; সং চূৰ্ণ > অ. চূণ; সং মূৰ্ধন্ > অ. মূধ ইত্যাদি।

এঃ সং এৰণ্ড > অ. এৰা; সং ভেড্ৰ > অ. ভেড়া; সং লেপ > অ. লেও ইত্যাদি।

ওঃ সং ওষ্ঠ > অ. ওঁঠ; সং চোক্ষ > অ. চোকা; সং ষোড়শ > অ. ষোল ইত্যাদি।

সংস্কৃতৰ ঋ স্বৰবৰ্ণ অসমীয়া তদ্ভৱ শব্দত নাই; সেইদৰে ঐ আৰু ঔ স্বৰবৰ্ণ অসমীয়াত যথাক্ৰমে এ আৰু ও হৈছে। অসমীয়াত পোৱা ঐ আৰু ঔ স্বৰবৰ্ণ ধ্বনিলোপৰ ফলত সৃষ্টি হোৱা দ্বিস্বৰহে; যেনে—সং নদী > প্ৰাকৃত. পঈ > অ. নৈ; সং দধি > প্ৰা.



OKDISCD

দই>অ. দৈ; সং ছদি>প্রা. ছই>অ. ছৈ; সেইদৰে সং অপূপ> অ. ঔ; সং ব্ৰধু>অ. বৌ; সং মধু>অ. মৌ।

(খ) সংস্কৃত বৰ্ণমালাৰ ঙ, ঞ, ণ, য, ব্ৰ, ং, ঃ-ৰ বাদে বাকীবোৰ বৰ্ণ পৰাপক্ষত অসমীয়া জোঁটনিতো থাকিব; যেনে—

কঃ সং কজ্জল>অ. কজলা; সং কৰপত্ৰ>অ. কৰত; সং কপোত>অ. কপৌ ইত্যাদি।

খঃ সং খলি শ>অ. খলিহৈ; সং খড়্গাট>অ. খাগৰি; সং খৰ্জু>অ. খজুলি ইত্যাদি।

গঃ সং গচ্ছ>অ. গছ; সং গুণ্ডিক>অ. গুড়ি, গুৰি; সং গোব্ৰৰ>অ. গোবৰ ইত্যাদি।

ঘঃ সং ঘটী>অ. ঘড়ী; সং ঘট্ট>অ. ঘাট, সং ঘাতি>অ. ঘাই ইত্যাদি।

চঃ সং চত্বৰ>অ. চোতাল; সং চক্ৰ>অ. চকা; সং চক্ষুস্> অ. চকু ইত্যাদি।

ছঃ সং ছগলী>অ. ছাগলী; সং ছত্ৰ>অ. ছাতি; সং ছদি> অ. ছৈ ইত্যাদি।

জঃ সং জটি>অ. জৰি; সং জামাতৃ>অ. জোৱাঁই; সং জিহ্বা অ. জিভা ইত্যাদি।

ঝঃ সং ঝাট>অ. ঝাৰ; সং ঝিল্লী> অ. ঝিলী; সং ঝৌলিক>অ. ঝুলি ইত্যাদি।

টঃ সং টঙ্কক>অ. টকা; টুণ্টুক>অ. টুটকীয়া; সং টেৰক> অ. টেৰুৱা ইত্যাদি।

ঠঃ সং ঠক্কুৰ>অ. ঠাকুৰ; সং ব্ৰহিষ্ঠ> অ. ব'ঠা সং প্ৰোষ্ঠী> অ. পুঠি ইত্যাদি।

ডঃ সং ডাল>অ. ডাল; সং ডাহুক>অ. ডাউক; সং ডোৰ> অ. ডোল ইত্যাদি।



ঢঃ সং ঢক্কন>অ. ঢাকন; সং ঢক্কা> অ. ঢাক; সং ঢৌল> অ. ঢোল ইত্যাদি।

তঃ সং তন্ত্ৰ>অ. তাঁত; সং তমাল>অ. তৱাঁল, তঙাল; সং তিক্ত>অ. তিতা ইত্যাদি।

থঃ সং থুৎ>অ. থু; সং থুড্>অ. থুৰিয়া; সং থোডন> অ. থোৰ ইত্যাদি।

দঃ সং দধি>অ. দৈ; সং দৰ্পণ>অ. দাপোণ, সং দ্ৰম্য> অ. দাম ইত্যাদি।

ধঃ সং ধত্তূৰ>অ. ধুঁতূৰা; সং ধন্যাক> অ. ধনিয়া; সং ধান্য>অ. ধান ইত্যাদি।

নঃ সং নক্ৰ>অ, নাক; সং নড>অ. নল; সং নদী>অ. নৈ ইত্যাদি।

পঃ সং পক্ষ>অ. পাখি; সং পট্ট>অ. পাট; সং পত্ৰ>অ. পাত ইত্যাদি।

ফঃ সং ফক্কিকা>অ. ফাঁকি; সং ফুল্ল>অ. ফুল; ফেৰব্ৰ>অ. ফেৰুৱা ইত্যাদি।

বঃ সং বদৰিকা>অ. বগৰি; সং বন্ধ্যা>অ. বঁজা, বঁঝা; সং বাঢ়>অ. বাঢ় ইত্যাদি।

ভঃ সং ভক্ত>অ. ভাত; সং ভগিনী>অ. ভনী; সং ভল্লুক> অ. ভালুক ইত্যাদি।

মঃ সং মকৰ>অ. মগৰ; সং মক্ষিকা>অ. মাখি; সং মধু> অ. মৌ ইত্যাদি।

ৰঃ সং ৰাজ্য>অ. ৰাইজ; সং ৰাত্ৰি>অ. ৰাতি; সং ৰঙ্গ> অ. ৰং ইত্যাদি।

লঃ সং লকুট>অ. লাখুটি; সং লঙ্ঘন>অ. লঘোন; সং লজ্জা>অ. লাজ ইত্যাদি।



OKDISCD

শঃ সং শকুন>অ. শগুন ; সং শাপ>অ. শাও, সং শ্যাম> অ. শাওঁ ইত্যাদি ।

ষঃ সং ষণ্ড>অ. ষাঁড় ; সং ষষ্টি> অ. ষাঠি ; সং ষোড়শ> অ. ষোল ইত্যাদি ।

সঃ সং সঙ্ক্ৰম>অ. সাঁকো ; সং সত্য>অ; সঁচা; সং সৰ্প> অ. সাপ ইত্যাদি ।

হঃ সং হিঙ্গু>অ হিং ; সং হৃদয়>অ. হিয়া ঃ সং হেক্কা> অ. হেঁকটি ইত্যাদি ।

সংস্কৃতৰ ঙ, ঞ, ণ, য, ব়, ং, ঃ-ৰ ভিতৰত ঙ, আৰু ঞ থকা শব্দ অসমীয়া ভাষালৈ অহা নাই। সংস্কৃতত ণ থাকিলে পৰা-পক্ষত অসমীয়া শব্দতো ণ হয়। য-ৰ সংস্কৃত উচ্চাৰণ য় আৰু অসমীয়া উচ্চাৰণ জ। সংস্কৃত উচ্চাৰণ বুজাবলৈ অসমীয়াত য় লিখা হয়। তদ্ভৱ শব্দবোৰৰ সৰহ ভাগেই সংস্কৃত ঙ্গ-ৰ পৰা ঙ উচ্চাৰণ পাইছে। স্বৰমধ্যস্থ হলে ঙ আৰু স্বৰহীন হলে ইয়াক ং দি লিখা হয়। ব় আখৰ তদ্ভৱ ৰূপত সদায় ব, ও, উ হৈছে; গতিকে য'ত যি উচ্চাৰণ লাভ কৰিছে তেনেকৈ লিখা হয়। সংস্কৃতৰ ঃ তদ্ভৱ শব্দত সদায়েই লোপ হয়। অসমীয়া ভাষাত হ্ ধ্বনি বুজাবলৈ প্ৰয়োজন মতে ইয়াক ব্যৱহাৰ কৰা হয়।

(গ) যিবোৰ তদ্ভৱ শব্দ অসমীয়ালৈ আহোঁতে সমীভৱন, মহা-প্ৰাণভৱন, অল্পপ্ৰাণভৱন, ঘোষভৱন, অঘোষভৱন, তালব্যকৰণ আদিৰ মাজেদি আহিছে, সেইবোৰ শব্দৰ জোঁটনি উচ্চাৰণমতে হব।

(০১) সমীভৱন হোৱাৰ পাচত যি বৰ্ণ ৰ'ব সেই বৰ্ণ অনুযায়ী জোঁটোৱা হ'ব ; যেনে—

সং উচ্চ—>অ. উচলা ; সং প্ৰোঞ্ছতি > অ. পুছে , সং লুট্যতি



>অ. লুটে ; সং কুব্জ> অ কুঁজা ; সং নপ্তৃক>অ নাতি ; সং শ্যাম >অ. শাঙ্ক ( বৰণীয়া ) ; সং স্বাদ>অ সোৱাদ ;

সমীভৱনৰ ফলত অন্য উচ্চাৰণ হলে সেই উচ্চাৰণ অনুযায়ী জোঁটোৱা হ'ব ; যেনে—

সং আত্মন্>অ. আপোন, আপুনি ; সং চক্ষু>অ চকু সং ক্ষাৰ>অ. খাৰ ; সং ক্ষুৰিকা >অ. ছুৰী ; সং ক্ষাম>অ. ঝাওঁ, জাওঁ (ইটা) ; সং লাক্ষা>অ. লাহা, লা ; সং আদৰ্শিক>অ. আহি ; সং সৰ্ষপ>* সৰিসৱ .>* সৰিঅস>. সৰিয়হ ; সং আলস্য> অ আলাহ এলাহ ইত্যাদি ।

(০২) মহাপ্ৰাণভৱন হওঁতে জোঁটনিত নিজৰ বৰ্গ ৰাখি জোঁটাৱা হ'ব ; যেনে—

সং টঙ্ক>অ. ঠেং ; সং ডুণ্ডুভ>অ. ঢোঁৰা, সং মাত্ৰ—>অ. মাথোন ; সং বৃশ্চিক>অ. বিছা ইত্যাদি ।

(০৩) অল্পপ্ৰাণভৱনতো নিজৰ বৰ্গ ৰক্ষা কৰি জোঁটোৱা হ'ব ; যেনে—

সং শপথ > অ. শপত; সং অশ্বত্থ >অ. আঁহত ; সং শিৰঃস্থান >অ. শিতান, ইত্যাদি ।

(০৪) ঘোষভৱন হোৱা বৰ্ণৰ বৰ্গ একে হ ব ; যেনে— সং প্ৰতোলী>অ. পদুলি, ইত্যাদি ।

(০৫) অঘোষভৱন হলে সেই বৰ্ণৰ বৰ্গ একে ৰখা হ'ব ; যেনে —সং ব্যজনিকা >অ. বিচনি ইত্যাদি ।

(০৬) তালব্যকৰণৰ পাচত হোৱা প্ৰাকৃত ৰূপৰ লগত সঙ্গতি ৰাখি তালব্যাকৃত শব্দৰ জোঁটনি কৰা হ ব ; যেনে—

সং সত্য >প্ৰা. সংচ >অ সঁচা ; সং মিথ্যা >প্ৰা মিচ্ছা >অ. মিছা ; সং অদ্য > প্ৰা. অজ্জ >অ. আজি ; সং বন্ধ্যা >প্ৰা বংঝা >অ. বঁঝা, বঁজা ইত্যাদি ।



OKDISCD

(ঘ) ইয়াৰ বাহিৰে বাকী শব্দবোৰ হেমকোষ আৰু চন্দ্ৰকান্ত অভিধানৰ প্ৰথম সংস্কৰণত যেনেকৈ জোঁটোৱা হৈছে তেনেকৈয়ে থাকিব। এই অভিধান দুখনৰ ভিতৰত জোঁটনিৰ পাৰ্থক্য হ'লে, নাইবা এই অভিধান দুখনত নথকা শব্দ জোঁটাবলৈ হ'লে তলত দিয়া সাধাৰণ নীতিসমূহ অনুসৰণ কৰা উচিত হ'ব ঃ

(০১) উচ্চাৰণমতে জোঁটাওঁতে ঈ, ঊ, ছ, ঝ, ঞ, ণ, ত, থ, দ, ধ, য, ৱ, শ, ষ দিয়াৰ কাৰণ নাথাকিলে ই, উ, চ, জ, য়ঁ, ন, ট, ঠ, ড, ঢ, জ, ব, স দি জোঁটোৱা হ'ব।

(০২) স্বৰান্ত হ'লে ঙ আৰু স্বৰহীন হ'লে সদায় ং দিয়া হ'ব; কিন্তু স্বৰহীন ং থকা শব্দ বিভক্তি যোগৰ ফলত স্বৰান্ত হ'লেই ঙ হৈ যাব; যেনে—হাফ্‌লং, কিন্তু হাফলঙৰ পৰা।

(০৩) যিবোৰ শব্দত চ-ৰ ঠাইত ছ দি বিকল্পভাৱে জোঁটোৱা হয়, সেই বিকল্প জোঁটনি চলি থাকিব।

(০৪) কেঞা, গঞা, চিঞৰ, চিঞা, জিঞা, ভূঞা, হঞ্, হঞে শব্দৰ বাহিৰে বাকী য়ঁ উচ্চাৰণ হোৱা ধ্বনি য়ঁ দি লিখা হ'ব।

(০৫) গঁড়, গড় (দুৰ্গ), গুড়ি (চূৰ্ণ), নাড়ী, হাড় শব্দৰ বাদে বাকী শব্দত ড়-ৰ ঠাইত ৰ দিও জোঁটাব পৰা যাব।

(০৬) যিবোৰ শব্দত ত্ৰ আৰু ত্ৰ দুয়োটা বৰ্ণ ব্যৱহাৰ হয়, তেনে শব্দত সমৰূপতাৰ খাতিৰত ত্ৰ দি লিখা হ'ব; যেনে—উত্ৰাৱল-ৰ ঠাইত উত্ৰাৱল, ইত্যাদি।

(০৭) গুকণী, কাউৰী, চিলনী, ছাগলী, বগলী, মেকুৰী শব্দ উভয়লিঙ্গ কাৰণে ঈ-ৰে জোঁটোৱা হ'ব।

(০৮) কন্দলি, কন্দলী; কাকতি, কাকতী আদি শব্দত উভয় জোঁটনিয়েই থাকিব।

(০৯) কৰকৰা, ফৰফৰা মৰমৰা আদি অনুকাৰ শব্দত ব্যঞ্জন চিন বা ৰেফ চিন বা হাইফেন দিয়া নহ'ব। (অৰ্থাৎ কৰকৰা,



ফৰফৰা, মৰ্‌মৰা বা কৰ্কৰা, ফৰ্ফৰা মৰ্মৰা বা কৰ-কৰা, ফৰ-ফৰা, মৰ-মৰা নহ'ব।)

(০১০) তৎসম আৰু তদ্ভৱ শব্দৰ বাহিৰে বাকীবোৰ শব্দত ণত্ব বিধি মনা নহ'ব; যেনে— জিৰনি, ৰেঙনি, কামোৰণি কোৰান ইত্যাদি। কিন্তু বহুকাল চলি অহা জিৰণি, ৰেঙণি কামোৰণি আদি ৰূপ বিকল্প বুলি ধৰি লোৱা হ'ব।

(০১১) নেতিবাচক ধাতুৰূপৰ আ-কাৰৰ ঠাইত বিকল্প হিচাপে এ-কাৰ হ'ব; যেনে—নালাগে, নেলাগে।

(০১২) ঈ প্ৰত্যয় যোগ হোৱা শব্দৰ জোঁটনিত সদায় ঈ থাকিব; যেনে— বাঁহ+ঈ>বাঁহী, কাঁহ+ঈ>কাঁহী, কাঠ+ঈ> কাঠী ইত্যাদি।

(০১৩) ঈ-কাৰ হোৱাৰ কোনো কাৰণ নথকা শব্দবোৰত ই-কাৰ হ'ব; যেনে—চেকনি, কেৰাহি, কাছাৰি, কুঠৰি, কোঠালি, চিঠি, জানুৱাৰি, ফেব্ৰুৱাৰি ইত্যাদি।

(০১৪) ঊনৈশৰ পৰা পঞ্চাশলৈকে সংখ্যাবাচক শব্দবোৰৰ শেষৰ শ-ৰ ঠাইত চ বা ছ দি লিখিব পাৰিব; যেনে—ঊনৈশ/ ঊনৈচ/ঊনৈছ ইত্যাদি।

(০১৫) উচ্চ অ বুজাবলৈ অ-ৰ পাচত "'" (ঊৰ্ধ কমা) দিয়া হ'ব। য'ত স্বাভাৱিকতে এই ধ্বনি উচ্চাৰিত হয়, তেনে ক্ষেত্ৰত ঊৰ্ধ কমা দিয়াৰ প্ৰয়োজন নাই; যেনে- ক'লা, ল'ৰা, ম'হ আদি শব্দত ঊৰ্ধ কমা দিব লাগিব; কিন্তু কবি, কচু, ফণী, বধূ আদি শব্দৰ অ ধ্বনি উচ্চ অ হ'লেও দিব নালাগে; কাৰণ, ইহঁতৰ পাচত থকা ই, উ, ঈ, ঊ এই উচ্চ স্বৰধ্বনিকেইটাই আগৰ অ-ৰ উচ্চাৰণ উচ্চ কৰিবই।

(৩) আৰবী-ফাৰ্চী শব্দৰ অসমীয়াত হোৱা উচ্চাৰণ অনুযায়ী জোঁটোৱা হ'ব। ঈ আৰু ঊ যুক্ত প্ৰত্যয় নাথাকিলে ই আৰু



OKDISCD

উ দিয়েই জোঁটোৱা হ'ব।

ইংৰাজী শব্দৰ অসমীয়ালৈ লিপ্যন্তৰণ

(৪) এটা ভাষাৰ ধ্বনিমবোৰক (phoneme) অন্য এটা ভাষাৰ পৰম্পৰাগত আখৰলৈ সলনি কৰা কাৰ্যকে লিপ্যন্তৰণ (transliteration) বোলে। লিপ্যন্তৰণৰ উদ্দেশ্য দুটা—প্ৰথম, ইংৰাজী ভাষাৰ ঘাইকৈ নামবাচক শব্দবোৰ অসমীয়াত লিখা আৰু দ্বিতীয়, অসমীয়া ভাষাৰ যোগেদি ইংৰাজী ভাষাৰ উচ্চাৰণ শিকা। প্ৰথম উদ্দেশ্যত কৰা লিপ্যন্তৰণক সঙ্কীৰ্ণ আৰু দ্বিতীয় উদ্দেশ্যত কৰা লিপ্যন্তৰণক বিস্তৃত লিপ্যন্তৰণ বোলা হয়।

আলোচনাৰ পাচত সদস্যসকলে দুয়ো বিধ লিপ্যন্তৰণৰ বাবে নিয়ম গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰে। সাধাৰণ লিখা কামত সঙ্কীৰ্ণ লিপ্যন্তৰণ আৰু ইংৰাজী-অসমীয়া অভিধান ৰচনাত বিস্তৃত লিপ্যন্তৰণ ব্যৱহাৰ কৰিবলৈ স্থিৰ কৰা হয়। তলত দুয়ো বিধ লিপ্যন্তৰণৰ নিয়মবোৰ উল্লেখ কৰা হ'ল:—

সঙ্কীৰ্ণ লিপ্যন্তৰণ

প্ৰবন্ধ, বিজ্ঞানৰ পুথি আৰু বা-বাতৰি আদি লিখোঁতে সাধাৰণতে তলত দিয়া নিয়মবোৰ মানি চলা হ'ব:—

(ক) c, ch, sh, s, ss, tic-ৰে ইংৰাজী ভাষাত প্ৰকাশ কৰা উচ্চাৰণ অসমীয়াত চ দি প্ৰকাশ কৰা হ'ব। সেইদৰে t আৰু d-ৰে প্ৰকাশ কৰা উচ্চাৰণ ট আৰু ড দি, th আৰু n-ৰে প্ৰকাশ কৰা উচ্চাৰণ থ আৰু ন দি লিখা হ'ব। যি বৰ্গৰ বৰ্ণৰ লগত ন যুক্ত হয় হয় ন-ও সেই বৰ্গৰ হ'ব। (ant এণ্ট, and এণ্ড, শব্দৰ ন মূৰ্ধণ্য ণ হ'ব আৰু anthem আন্থেম, Anthony এন্থনি শব্দৰ ন দন্ত্য ন হ'ব।) s ধ্বনি যুক্তবৰ্ণত স বা ষ হ'ব, যেনে—station ষ্টেচন, whisky হুইস্কি ইত্যাদি। তলত কেইটামান উদাহৰণ দিয়া হ'ল:—

OKDISCD



city চিটি, chalk চক্, shirt চাৰ্ট, sanitary চেনিটেৰি, compass কম্পাচ, station ষ্টেচন, town টাউন, down train, ডাউন ট্ৰেইন, thermometre থাৰ্মোমিটাৰ, novel নভেল্, canteen কেন্টিন, London লণ্ডন, ant এণ্ট, and এণ্ড, anthem আন্থেম্, Anthony এন্থনি, whisky হুইস্কি।

(খ) sl-ৰ ঠাইত শ্ল লিখা হ'ব; যেনে—slogan শ্ল'গান, slave শ্লেভ, slip শ্লিপ ইত্যাদি।

(গ) জ উচ্চাৰণ হোৱা g, j, z জ দি লিখা হ'ব; যেনে—gem জেম্, jug জগ, zone জ'ন।

(ঘ) nc, nch, ns-ৰ ঠাইত ঞ্চ লিখা হ'ব; যেনে—pencil পেঞ্চিল্ bench বেঞ্চ, transfer ট্ৰেঞ্চফাৰ।

(ঙ) v আৰু w-ৰ ঠাইত ৱ আৰু y-ৰ ঠাইত য় লিখা হ'ব; যেনে— brave ব্ৰেৱ, war ৱৰ, young য়াং।

বিস্তৃত লিপ্যন্তৰণ

ইংৰাজী-অসমীয়া অভিধান বা ভাষা-বৈজ্ঞানিক আলোচনা-সমালোচনাত ব্যৱহাৰ কৰিব পৰাকৈ লিপ্যন্তৰণৰ এই পৰামৰ্শ-খিনি আগ বঢ়োৱা হৈছে। নতুন আখৰ সৃষ্টি নকৰি আমাৰ হাতত থকা আখৰকে সামান্য চিহ্ন যোগ কৰি নতুন আখৰৰ ঠাইত ব্যৱহাৰ কৰা হৈছে।

ইংৰাজী ভাষাত ১৫ টা স্বৰ, ১২ টা দ্বিস্বৰ আৰু ২৫ টা ব্যঞ্জন ধ্বনিম আছে; যেনে—

স্বৰ ধ্বনিম— i:, i, e, ɛ, æ, a, ə:, ə, u:, u, o, ʌ, ɔ:, ɔ, ɑ: ;

দ্বিস্বৰ— iə, ĭə, ei, ɛə, ai, au, ui, uə, ŭə, ou, ɔi, ɔə;

ব্যঞ্জন ধ্বনিম— p, b, t, d, k, g, tʃ, dʒ, m, n, ŋ, l, f, v, θ, ð, s, z, r, ʃ, ʒ, x, h, w, j.

এই ৫২ টা ধ্বনিমৰ যথাযথ লিপ্যন্তৰণ কৰিব পৰাকৈ চিহ্ন নিৰ্মাণ কৰি ল'লেই ইংৰাজী শব্দৰ অসমীয়ালৈ লিপ্যন্তৰণ সহজ হৈ পৰিব।

তলত এই ধ্বনিমবোৰৰ লিপ্যন্তৰণৰ পৰামৰ্শ আগ বঢ়োৱা হৈছে। প্ৰস্তাৱিত ধ্বনিচিহ্নবোৰত দীৰ্ঘতা বুজাবলৈ '—' চিহ্ন, হ্ৰস্বতা বুজাবলৈ '⌣' চিহ্ন, উচ্চতা বুজাবলৈ '' চিহ্ন' নিম্নতা বুজাবলৈ '—' চিহ্ন আৰু কেন্দ্ৰীয়তা বুজাবলৈ '.' চিহ্ন দিয়া হৈছে। ★ চিহ্নৰ অৰ্থ হৈছে পৰৱৰ্তী ধ্বনিম ব্যঞ্জন হলে পূৰ্ববৰ্তী স্বৰটো দীঘলীয়া হয়; কিন্তু পৰৱৰ্তী ধ্বনিম স্বৰ হলে তাৰ আগত এটা ৰ উচ্চাৰণ হয়; যেনে—His father has come. হিজ্ ফ'দা ★ হা'জ্ কাম্' His father is coming. হিজ্ ফদা ★ ৰিজ্ কামিং। এই চিনত বিকল্পে ৰ উচ্চাৰণো হয়।

(চ) ইংৰাজী স্বৰ ধ্বনিমবোৰ তলত দিয়া ধৰণে লিপ্যন্তৰণ কৰা উচিত:

i:=ঈ, ী; যেনে—bee বী, he হী, bead বীদ্ ইত্যাদি।

i=ই ি; যেনে—bill বিল্, deca ডিকেই, be yl বেৰিল্, busy বিজি ইত্যাদি।

e=এ' ে; যেনে—pen পেন্, ken কেন্, pet পেত্ ইত্যাদি।

ɛ=এ ে; যেনে—care কেআ ★, aeroplane এআৰাপ্লেইন্, aerial এআৰিআল্ ইত্যাদি।

æ=আ'া যেনে—man মান্, hat হা'ত, rat ৰা'ত্ ইত্যাদি।

a=আ া; যেনে—by বাই, bias বাইআচ্, bow বাউ ইত্যাদি।

ə:=আঁ াঁ; যেনে—bird বাঁদ্ bourgeois বাঁজ'ইচ্, turn তাঁন্ ইত্যাদি।

ə =আ া; যেনে—aback আবা'ক্, ballon বালুন্ pious পাইআচ্ ইত্যাদি।



u: =ঊ ূ; যেনে—do দূ, you য়ূ, boon বূন্ ইত্যাদি।

u=উ ু; যেনে—put পুত্, hook হুক্, bosom বুজাম্; ইত্যাদি।

o=ও ো; যেনে—sew চোউ, go গোউ, dose দোউজ্ ইত্যাদি।

ʌ আঁ াঁ; যেনে—but বাঁত্, love লাঁভ্, young য়াঁঙ্ ইত্যাদি।

ɔ: =অ— ; যেনে—saw চ, law ল, maw ম ইত্যাদি।

ɔ =অ' '; যেনে—God গ'দ্, hot হ'ত্, boss ব'চ্ ইত্যাদি।

ɑ:=আ া; যেনে—car কা ★, father ফাদা ★, bar বা ★ ইত্যাদি।

(ছ) ইংৰাজী ভাষাৰ দ্বিস্বৰবোৰ তলত দিয়া ধৰণে লিপ্যন্তৰণ কৰা উচিত:

iə= ইআ ; যেনে—here হিআ★, dear দিআ★, beer বিআ★ ইত্যাদি।

ĭə= ইআ ; যেনে—barrier বা'ৰিআ★, terrier তেৰিআ ★, financier ফাইনা'ন্চিআ★ ইত্যাদি।

ei= এ'ই, যেনে—daily দেইলি, gaily গেইলি, baillie বেইলি ইত্যাদি।

ɛə= এআ; যেনে—there দেআ★, mare মেআ★, hare হেআ ★ ইত্যাদি।

ai= আই; যেনে—how হাউ, bough বাউ, tout তাউত্ ইত্যাদি।

ui= উই; যেনে—ruin ৰুইন্, suicide চ্যুইচাইদ্, tuition ত্যুইচ্যান্ ইত্যাদি।

uə= উআ; যেনে—gourd গুআদ্; sourdine চুআদীন্, tour তুআ★ ইত্যাদি।

ŭə= উআ যেনে—influence ইন্‌ফ্লুআন্চ্, gradual গ্ৰা'



OKDISCD

হ্যুঁআল্, affluence আ'ফ্লুঁআন্চ্ ইত্যাদি।

ou = ওউ ; যেনে—go গোউ, boat বোউত্, note নোউত্ ইত্যাদি।

ɔi = অ'ই ; যেনে—boy ব'ই, soil চ'ইল্, boil ব'ইল্ ইত্যাদি।

ɔə = অ'আ ; যেনে—four ফ'আ★, boar ব'আ★, moan ম'আন্ ইত্যাদি।

(আজিকালি ɔə দ্বিস্বৰৰ ঠাইত ɔː=অ' দ্বিস্বৰৰ ব্যৱহাৰ দেখা যায়। তেনে ক্ষেত্রত উচ্চাৰণ হ'ব four ফ'★, boar ব'★ moan ম'ন্।)

(জ) ইংৰাজী ভাষাৰ ব্যঞ্জনবোৰ তলত দিয়া ধৰণে লিপ্যন্তৰিত কৰা উচিত ;

p = প ; যেনে - peep পীপ্, pin পিন্, pen পেন্ ইত্যাদি।

b = ব ; যেনে—bear বেআ★, bat বা'ত্, by বাই ইত্যাদি।

t = ত ; যেনে—turn তাৰ্ন্, bottom ব'তাম্, tool তূল্ ইত্যাদি।

d = দ ; যেনে—dumky ডুম্কি, dome দোউম্, daw দ' ইত্যাদি।

k = ক ; যেনে - car কা★ keep কীপ্, kick কিক্ ইত্যাদি।

g = গ ; যেনে—get গেত্, glare গ্লেআ★, gad গা'দ্ ইত্যাদি।

tʃ = চ ; যেনে—chide চাইদ্, chervil চাৰ্ভিল্, culture কাল্চা★ ইত্যাদি।

dʒ = জ ; যেনে—June জুন্, judicial জুদিচ্যাল্, joke জোউক্ ইত্যাদি।



m = ম ; যেনে—much মাঁচ, maw মঁ' moth ম'থ্ ইত্যাদি।

n = ন ; যেনে—not ন'ত্, nard নাৰ্দ্, need নীদ্ ইত্যাদি।

ŋ = ঙ ; যেনে—anger আ'ঙ্গা★, angular আঙ্গ্যুলা★, anguish আঙ্গ্বিচ্য্ ইত্যাদি।

l = ল ; যেনে—leech লীচ্, lip লিপ্, let লেত্ ইত্যাদি।

f = ফ ; যেনে—fare ফেআ★, fat ফা'ত্, fie ফাই ইত্যাদি।

v = ভ ; যেনে—verse ভাৰ্চ, vacate ভা'কেইত, voodoo ভূদূ ইত্যাদি।

θ = থ ; যেনে—thurible থ্যুআৰিবুল্ thole থোউল, thumb থাঁম্ ইত্যাদি।

ð = দ ; যেনে—thee দী, this দিচ, then দেন্ ইত্যাদি।

s = চ ; যেনে—sigh চাই, sermon চাৰ্মান্, sesame চে'চামি ইত্যাদি।

z = জ ; যেনে—zoom জুম্, résumé ৰেজ্যুমে'ই, zone জোউন্ ইত্যাদি।

r = ৰ ; যেনে—rub ৰাঁব্ raw ৰ', rock ৰ'ক্ ইত্যাদি।

ʃ = চ্য ; যেনে—sharp চ্যাৰ্প্, sheep চ্যীপ্, ship চ্যিপ্ ইত্যাদি।

ʒ = জ্য ; যেনে—measure মেজ্যা*, usual য়ুজ্যুআল্, vision ভিজ্যান্ ইত্যাদি।

x = স ; যেনে—loch লস্ ইত্যাদি।

h = হ ; যেনে—heel হীল্, hill হিল্, hell হেল্ ইত্যাদি।

w = ৱ ; যেনে—ware ৱেআ*, wase ৱা'কচ্ wide ৱাইদ্ ইত্যাদি।

j = য় ; যেনে—you য়ু, yeo য়োউ, young য়াঁঙ্ ইত্যাদি।

(ঝ) ইংৰাজী উচ্চাৰণৰ ক্ষেত্রত Daniel Jones-ৰ English Pronouncing Dictionary-ৰ ওপৰত নির্ভৰ কৰিব লাগে।

—×—



OKDISCD